# হাঁহ কুকুৰা পোহা কিছুমান লাগতিয়াল কথা

কণীৰ বাবে পোহা কুকুৰাক লেয়াৰ আৰু মাংসৰ বাবে পোহা কুকুৰাক ব্ৰয়লাৰ বুলি কোৱা হয়। ৬-৮ সপ্তাহ বয়সত একোটা ব্ৰয়লাৰৰ ওজন জাতভেদে ১৫০০ গ্ৰামৰ পৰা ২৫০০ গ্ৰাম হ'ব পাৰে, গতিকে ৬ সপ্তাহ বয়সৰ পৰাই ব্ৰয়লাৰ বিক্ৰী কৰিব পৰা যায়। কণী পৰা বাবে কুকুৰাৰ বৃদ্ধি তুলনামূলক ভাৱে কম। কণী প্ৰথম পৰাৰ সময়ত অৰ্থাৎ ১৮-২০ সপ্তাহত প্ৰায় ১২০০-১৫০০ গ্ৰাম ওজন হয়। কণী পৰা কুকুৰাৰ চৰ্বী জমা হৈ অত্যাধিক ওজন হ'লে কণীৰ উৎপাদন কমি যায় বা একেবাৰে বন্ধও হৈ যাব পাৰে। আগতে কণী নপৰা কুকুৰা থাকিলে সেইবোৰ বাচি উলিয়াই বিক্ৰী কৰি দিব লাগে। ইয়াৰ পিচত ৰাখিলে লাভজনক নহয়। গতিকে বিক্ৰী কৰি দি ঘৰটো প্ৰায় ১৫ দিন জিৰণি দি নতুন জাক পোৱালি আনিব লাগে। দিনটোক কমেও তিনিবাৰ ৰাতিপুৱা, দুপৰীয়া আৰু আবেলি কণী সংগ্ৰহ কৰিব লাগে। কণী পৰা কুকুৰাক ভালদৰে কণীৰ উৎপাদন কৰিবলৈ দিনৌ ১৬ ঘন্টাকৈ পোহৰ দিব লাগে। দিনৰ পোহৰ যদি ১১ ঘন্টা হয় বাকী ৫ ঘন্টা কোঠাত লাইট জ্বলাই পোহৰ দিব লাগে। পোহৰৰ বিষয়ে বিস্তাৰিত পৰামৰ্শ কুকুৰা বিশেষজ্ঞৰ পৰা ল'ব লাগে। সবিশেষত লিটাৰত পোহা কুকুৰাৰ মখা বন্ধা বা ভিজা লিটাৰৰ পৰা বেমাৰ আদি হৈ ওজন বৃদ্ধি নোহোৱা বা কণী উৎপাদন কমি যোৱা ৰোধ কৰিবলৈ লিটাৰখিনি শুকান অৱস্থাত ৰাখিবলৈ চেষ্টা কৰিব লাগে। বৰষুণৰ দিনত দিনৌ লিটাৰ খুচৰি দিব লাগে। লগতে পশু চিকিৎসকৰ পৰামৰ্শ অনুযায়ী উৎকৃষ্ট দানা যোগান ধৰি কণী আৰু মাংস উৎপাদন বৃদ্ধি কৰিব পাৰি। এইদৰে আমি আমাৰ অৰ্থনৈতিক অৱস্থা কিছু হলেও উন্নত কৰিব পাৰিম।

*****

**(উৎস ঃ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়, অসম কৃষি বিশ্ববিদ্যালয়, গুৱাহাটী - ২২)**